অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং: ১৫০
উত্তৰ দানৰ তাৰিখ : ১৫ /০ ৭ / ২০২৬
*বিষয়ঃ* **ৰাসায়নিক সাৰৰ সঠিক ব্যৱহাৰৰ সন্দৰ্ভত।**
বিধায়কৰ নাম : শ্ৰী দীপক কুমাৰ দাসঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

চৰকাৰে বহনক্ষম কৃষি ব্যৱস্থা আৰু জনস্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত ৰাসায়নিক সাৰৰ ব্যৱহাৰ অধিক বিজ্ঞানসন্মত আৰু নিয়মবদ্ধ কৰাৰ বাবে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, তেন্তে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে ? সদনৰ মজিয়াত দাঙি ধৰিব ।

**উত্তৰ**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব।

হয় অসম চৰকাৰে বহনক্ষম কৃষি ব্যৱস্থা গঢ়ি তোলা আৰু জনস্বাস্থ্য সুৰক্ষাৰ লক্ষ্যৰে ৰাসায়নিক সাৰৰ ব্যৱহাৰ অধিক বিজ্ঞানসন্মত আৰু নিয়মবদ্ধ কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে । গ্ৰহণযোগ্য ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল ।

১। মাটিৰ স্বাস্থ্য পৰীক্ষা (Soil Health Card) আঁচনিৰ জৰিয়তে কৃষকসকলক মাটিৰ গুণাগুণ অনুসৰি প্ৰয়োজনীয় সাৰৰ পৰিমাণ নিৰ্ধাৰণ কৰি দিয়া হয় ।

২। কৃষি বিভাগে কৃষকসকলৰ মাজত সুষম (Balanced) সাৰ ব্যৱহাৰ আৰু সমন্বিত পুষ্টি ব্যৱস্থাপনা (Intergated Nutrient Management - INM) সম্পৰ্কে প্ৰশিক্ষণ আৰু সজাগতা কাৰ্য্যসূচী চলাই আহিছে ।

৩। জৈৱিক কৃষি, প্ৰাকৃতিক কৃষি আৰু জৈৱ সাৰৰ ব্যৱহাৰ উৎসাহিত কৰিবলৈ বিভিন্ন আঁচনি আৰু সহায় আগবঢ়োৱা হৈছে ।

৪। অনুমোদিত বিক্ৰেতাৰ জৰিয়তে সাৰ বিক্ৰী নিশ্চিত কৰা হয় আৰু সাৰৰ গুণগত মান আৰু বিতৰণৰ ওপৰত নিয়মীয়া পৰিদৰ্শন কৰা হয় ।

৫। কৃষকসকলক অতিৰিক্ত বা অপব্যৱহাৰ এৰাই চলিবলৈ কৃষি সম্প্ৰসাৰণ সহায়ক, কৃষি উন্নয়ন বিষয়া আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে পৰামৰ্শ আগবঢ়োৱা হয় ।

কেন্দ্ৰীয় চৰকাৰৰ নিম-আৱৰণযুক্ত ইউৰিয়া (Neem-coated Urea) ব্যৱহাৰ বাধ্যতামূলক কৰাৰ নীতি অসমতো কাৰ্যকৰী কৰা হৈছে, যাৰ ফলত ইউৰিয়াৰ অপব্যৱহাৰ হ্ৰাস পায় আৰু সাৰৰ কাৰ্য্যক্ষমতা বৃদ্ধি পায়।

এই ব্যৱস্থাসমূহৰ জৰিয়তে অসম চৰকাৰে ৰাসায়নিক সাৰৰ অপব্যৱহাৰ হ্ৰাস, মাটিৰ স্বাস্থ্য সংৰক্ষণ, কৃষি উৎপাদনৰ বহনক্ষমতা বৃদ্ধি আৰু জনস্বাস্থ্য সুৰক্ষাৰ লক্ষ্য পূৰণৰ দিশত পদক্ষেপ গ্ৰহণ কৰি আহিছে । সাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত Package of Practices ৰ উল্লেখিত নিৰিখতে সাৰ বিক্ৰিৰ ব্যৱস্থা কৰা হব ।

*************